# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-10-2024
**Time :** 0705 hrs

## *Assamese Morning Bulletin*
## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি লৌহ মানৱ চৰ্দাৰ বল্লভ ভাই পেটেলৰ জন্মবাৰ্ষিকী উপলক্ষে ৰাষ্ট্ৰীয় একতা দিৱস সমাৰোহত অংশগ্ৰহণ কৰিব।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কৈছে যে, নিৰন্তৰ সামৰিক আৰু কূটনৈতিক প্ৰচেষ্টাৰ বাবেই ভাৰত আৰু চীন প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাৰ কাষৰীয়া কেতবোৰ অঞ্চলত পৰিস্থিতি স্বাভাৱিক কৰি তোলাৰ বাবে সহমতত উপনীত হৈছে।

৩। সমগ্ৰ দেশতে আজি পোহৰৰ উৎসৱ দীপাৱলী পালন কৰা হ'ব। ৰাষ্ট্ৰপতি আৰু উপ ৰাষ্ট্ৰপতিয়ে দীপাৱলী উপলক্ষে দেশৰাসীক ওলগ জনাইছে।

৪। ৰাজ্যৰ ৫টা সমষ্টিৰ উপ নিৰ্বাচনৰ বাবে মুঠ ৩৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা কৰাটো নিশ্চিত হৈছে।

*আৰু*

৫। ভাৰতৰ আয়ুষ চেট্টি আৰু সতীশ কুমাৰ কৰুণাকৰণ হাইলো অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছত প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

ooooo

আজি ৰাষ্ট্ৰীয় একতা দিৱস। স্বাধীনতা সংগ্ৰামত অগ্ৰণী ভূমিকা গ্ৰহণ কৰা আৰু দেশৰ প্ৰথম উপ প্ৰধানমন্ত্ৰী তথা গৃহমন্ত্ৰী চৰ্দাৰ বল্লভ ভাই পেটেলৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি প্ৰতি বছৰে ৩১ অক্টোবৰত এই দিৱস পালন কৰা হয়। ৰাষ্ট্ৰীয় একতা দিৱসে দেশীয় ৰাজ্যসমূহক একত্ৰিত কৰি এখন ৰাষ্ট্ৰ গঢ়ি তোলাৰ লগতে দেশৰ জনসাধাৰণৰ মাজত একতাৰ ভাৱ সুদৃঢ় কৰাৰ ক্ষেত্ৰত চৰ্দাৰ বল্লভ ভাই পেটেলৰ প্ৰচেষ্টাৰ কথা সোঁৱৰাই দিয়ে। এই দিনটোত অসাধাৰণ নেতৃত্ব আৰু ৰাষ্ট্ৰীয় একতাৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ চৰ্দাৰ বল্লভা ভাই পেটেলক ভাৰতৰ লৌহ মানৱ হিচাপে স্মৰণ কৰা হয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লৌহ মানৱ চৰ্দাৰ বল্লভ ভাই পেটেলৰ জন্মবাৰ্ষিকী উপলক্ষে আজি গুজৰাটৰ কেৱড়িয়াৰ একতা নগৰৰ একতাৰ মূৰ্তিত চৰ্দাৰ বল্লভ ভাই পেটেললৈ পুষ্পাৰ্ঘ্য নিবেদন কৰিব। ইয়াৰ লগে ৰাষ্ট্ৰীয় একতা দিৱস সমাৰোহ আৰম্ভ হ'ব। প্ৰধানমন্ত্ৰীয়ে একতা দিৱসত সংকল্প পাঠ কৰোৱাব। তেওঁ লগতে একতা দিৱসৰ কুচ-কাৱাজো প্ৰত্যক্ষ কৰিব। এই কুচ-কাৱাজত কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী, এন চি চি, ৰাষ্ট্ৰীয় সুৰক্ষা গাৰ্ড, সীমান্ত সুৰক্ষা বাহিনী আৰু কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষীৰ জোৱানে অংশ ল'ব। ভাৰতীয় বায়ুসেনাৰ সূৰ্য কিৰণ গোটে বিমানেৰে আকাশত ক্ৰীড়া কৌশল প্ৰদৰ্শন কৰিব।

○○○○○

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কৈছে যে, নিৰন্তৰ সামৰিক আৰু কূটনৈতিক প্ৰচেষ্টাৰ বাবেই ভাৰত আৰু চীন প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাৰ কাষৰীয়া কেতবোৰ অঞ্চলত পৰিস্থিতি স্বাভাৱিক কৰি তোলাৰ বাবে সহমতত উপনীত হৈছে। তেজপুৰৰ বড়াখানাত কালি নিশা সৈনিকসকলক সম্বোধন কৰি শ্ৰীসিঙে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, ভাৰতে সদায় চুবুৰীয়া ৰাষ্ট্ৰসমূহৰ সৈতে সৌহাদ্যপূৰ্ণ সম্পৰ্ক বৰ্তাই ৰখাত বিশ্বাস কৰে। চৰকাৰে দেশৰ সেনা বাহিনীৰ স্বাৰ্থৰ কথা বিবেচনা কৰি শান্তি বাহাল কৰাৰ এই প্ৰক্ৰিয়াত আৱশ্যকীয় পদক্ষেপ ল'ব বুলি তেওঁ সজোৰে প্ৰকাশ কৰে। কঠিন পৰিস্থিতিত সীমান্তত সেৱা আগবঢ়াই অহা সৈনিকসকলৰ দৃঢ় প্ৰতিশ্ৰুতিবদ্ধতা অসাধাৰণ ভাৱনা আৰু অসীম সাহসৰ প্ৰশংসা কৰি মন্ত্ৰীগৰাকীয়ে  সৈনিকসকলক যুৱ প্ৰজন্মৰ প্ৰকৃত অনুপ্ৰেৰণাৰ উৎস বুলি অভিহিত কৰে। অসীম সাহস আৰু নিষ্ঠাৰে মাতৃভূমিৰ প্ৰতি সেৱা আগবঢ়োৱা সৈনিকসকলৰ প্ৰতি দেশ চিৰ ঋণী হৈ ৰ'ব বুলি তেওঁ উল্লেখ কৰে। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্ব আৰু সশস্ত্ৰ বাহিনীৰ শক্তিৰ বাবেই গোলকীয় পৰ্যায়ত দেশৰ মৰ্যাদা ক্ৰমাৎ বৃদ্ধি পাইছে। তেওঁ লগতে সৈনিকসকলক সতৰ্ক হৈ থাকিবলৈ আৰু সদা পৰিৱৰ্তনশীল গোলকীয় সুৰক্ষা প্ৰেক্ষাপটৰ বাবে উদ্ভৱ হ'ব পৰা যিকোনো প্ৰত্যাহ্বানৰ বাবে সাজু হৈ থাকিবলৈ আহ্বান জনায়।

○○○○○

সমগ্ৰ দেশতে আজি পোহৰৰ উৎসৱ দীপাৱলী পালন কৰা হ'ব। এই উৎসৱ অশুভ শক্তিৰ বিৰুদ্ধে শুভ শক্তিৰ বিজয়ৰ প্ৰতীক। এই উপলক্ষে জনসাধাৰণে ধন, ঐশ্বৰ্য্যৰ অধিষ্ঠাত্ৰী দেৱী লক্ষ্মীৰ আৰু ভগৱান গণেশৰ পূজা অৰ্চনা কৰে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে দীপাৱলী উপলক্ষে দেশৱাসীক ওলগ জনাইছে। ৰাষ্ট্ৰপতি মুৰ্মুৱে এটা শুভেচ্ছা বাৰ্তাত কৈছে যে, দীপাৱলী আনন্দ উৎসাহৰ উৎসৱ আৰু এই উৎসৱে অজ্ঞানতাৰ বিৰুদ্ধে জ্ঞান আৰু অশুভ শক্তিৰ বিৰুদ্ধে শুভ শক্তিৰ বিজয়ৰ কথাকে সূচায়। তেওঁ কয় যে, দীপাৱলীৰ পৰিত্ৰক্ষণত আমি আমাৰ বিবেক প্ৰজ্জ্বলিত কৰাৰ লগতে  মৰম-ভালপোৱা, দয়া-কৰুণাৰ দৰে গুণবোৰ আকোঁৱালি লোৱা উচিত আৰু সামাজিক সম্প্ৰীতিক সুদৃঢ় কৰা উচিত। এই উৎসৱ বঞ্চিত নীপীড়িত আৰু অভাৱী লোকসকলক সহায় কৰাৰ আৰু তেওঁলোকৰ সৈতে আনন্দ ভগাই লোৱাৰ এটা সুযোগ বুলিও ৰাষ্ট্ৰপতিয়ে মন্তব্য কৰে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে প্ৰদূষণ মুক্ত দীপাৱলী উদযাপন কৰিবলৈ আৰু এখন সুস্থ, সমৃদ্ধিশালী আৰু দায়িত্বশীল সমাজ গঢ়ি তোলাৰ বাবে সংকল্প গ্ৰহণ কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে।

ইপিনে, উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে তেওঁৰ শুভেচ্ছা বাৰ্তাত কৈছে যে, দীপাৱলী অকল ভাৰততে নহয় বৰং বিশ্বৰ বিভিন্ন প্ৰান্তত বাস কৰা প্ৰৱাসী ভাৰতীয়সকলেও উৎসাহ-উদ্দীপনাৰে পালন কৰে। তেওঁ কয় যে, এই উৎসৱ অন্ধকাৰৰ বিৰুদ্ধে পোহৰৰ, নিৰাশাৰ বিৰুদ্ধে আশাৰ আৰু অজ্ঞানতাৰ বিৰুদ্ধে জ্ঞানৰ বিজয়ৰ প্ৰতীক স্বৰূপ। উপ ৰাষ্ট্ৰপতিগৰাকীয়ে দীপাৱলীৰ পৰিত্ৰক্ষণত পোহৰৰ এই উৎসৱে ভাৰতৰ পথ পোহৰাই তুলিব আৰু দেশক একতা, সমৃদ্ধি আৰু অসীম প্ৰগতিৰ ভৱিষ্যতৰ দিশে আগুৱাই লৈ যাব বুলি আশা প্ৰকাশ কৰে।

○○○○○

দুদিনীয়া ভ্ৰমণসূচীৰে গুজৰাটত উপস্থিত হোৱা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি বোটাডৰ চালাংপুৰত অৱস্থিত কষ্টভঞ্জন হনুমানজী মন্দিৰৰ শ্ৰীগোপালানন্দ স্বামী যাত্ৰী ভৱন উদ্বোধন কৰিব। কাইলৈ তেওঁ আহমেদাবাদৰ পিড়ানাত ৰাজ্যখনৰ সৰ্ববৃহৎ আৱৰ্জনাৰ পৰা শক্তি উৎপাদন কেন্দ্ৰ উদ্বোধন কৰিব।

০০০০০

ৰাজ্যৰ ৫টা সমষ্টিত অহা ১৩ নৱেম্বৰত হ'বলগীয়া উপ নিৰ্বাচনৰ বাবে মুঠ ৩৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা কৰাটো নিশ্চিত হৈছে। কালি মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিনা ধলাই বিধানসভা সমষ্টিৰ এজন নিৰ্দলীয় প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰাৰ ফলত সমাগত উপ-নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া মুঠ প্ৰাৰ্থীৰ সংখ্যা ৩৪ গৰাকী হয়। উপ-নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ ভিতৰত ধলাইত ৮ জন, ছিদলীত ৩ জন, বঙাইগাঁৱত ৮ জন, বিহালীত ৪ জন আৰু চামগুৰি সমষ্টিত ১১ জন প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব।

ইফালে, উপ-নিৰ্বাচনৰ বাবে প্ৰতিটো ৰাজনৈতিক দলে প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। পাঁচোটা সমষ্টিতে শাসকীয় বিজেপি আৰু বিৰোধী দল কংগ্ৰেছৰ লগতে আম আদমী পাৰ্টীয়ে কালি তীব্ৰ প্ৰচাৰ অভিযান চলায়। চামগুৰি সমষ্টিত বিজেপি প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাৰ সমৰ্থনত মন্ত্ৰী বিমল বৰাই কেইবাখনো নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। চিৰাং জিলাৰ ছিদলী বিধানসভা সমষ্টিত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী নিৰ্মল কুমাৰ ব্ৰহ্মৰ সমৰ্থনত প্ৰচাৰ চলোৱা হয়। গৰুভাষা নাগদলবাৰীত অনুষ্ঠিত প্ৰচাৰ সভাত ৭০ গৰাকী লোকে ইউ পি পি এল দলত যোগদান কৰে।

০০০০০

ঝাৰখণ্ড বিধানসভা নিৰ্বাচনত দ্বিতীয় পৰ্যায়ৰ বাবে কাইলৈ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন। এই পৰ্যায়ৰ বাবে ৬৩৪ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে। ১৩ নৱেম্বৰত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত ৪৩টা সমষ্টি সামৰি লোৱাৰ বিপৰীতে দ্বিতীয় পৰ্যায়ত অহা ২০ নৱেম্বৰত ৰাজ্যখনত ৩৮টা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। ২৩ নৱেম্বৰত ভোট গণনা কৰা হ'ব।

০০০০০

ভাৰতৰ আয়ুষ চেট্টি আৰু সতীশ কুমাৰ কৰুণাকৰণ জাৰ্মানীৰ অনুষ্ঠিত হাইলো অপেন ২০২৪ বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছত প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। আয়ুষ চেট্টীয়ে কালি প্ৰথম ৰাউণ্ডৰ এখন খেলত ফিনলেণ্ডৰ জোকিম অ'ল্ডফৰ্ডক ২১-১২-২১-১৭ গেমত পৰাস্ত কৰাৰ বিপৰীতে সতীশ কৰুণাকৰণে সতীৰ্থ খেলুৱৈ ছিৰাগ সেনক ২২-২০, ২২-২৪, ১৭-২১ গেমত পৰাভূত কৰি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰে। ইয়াৰ পূৰ্বে ভাৰতৰ থাৰুন মন্নেপল্লী অষ্ট্ৰিয়াৰ কোলিন্স ভেলেণ্টাইন ফিলিমোনৰ হাতত ১৯-২১, ১৯-২১ গেমত পৰাজিত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হয়। মহিলাৰ ছিংগলত ভাৰতৰ কেয়ুৰা মোপতিও ডেনমাৰ্কৰ অন্না ছিচ ৰায়বৰ্গৰ হাতত ৮-২১, ১২-২১ গেমত পৰাজিত হৈ প্ৰতিযোগিতাৰ পৰা বিদায় লয়।

০০০০০

ভাৰতৰ মানসী অহলাবটে আলবেনিয়াৰ তিৰানাত অনুষ্ঠিত ২৩ বছৰৰ অনুৰ্ধৰ বিশ্ব মল্লযুদ্ধ প্ৰতিযোগিতাৰ মহিলাৰ ৫৯ কিলোগ্ৰাম ওজন শাখাত ব্ৰঞ্জৰ পদক অৰ্জন কৰিছে। মানসীয়ে কালি কোৱাৰ্টাৰ ফাইনেলত ২৩ বছৰ অনুৰ্ধৰ বিশ্ব মল্লযুদ্ধ প্ৰতিযোগিতাৰ সোণৰ পদক বিজেতা সোলমিয়া ভিন্নিক ৪-০ ফলাফলত পৰাস্ত কৰে।

০০০০০

**সমাপ্ত**